প্ৰাক-স্বৰাজ অসমৰ

আধুনিক শিল্পকলাৰ পথিকৃৎ

নন্দ কোঁৱৰ

কুৰি শতিকাৰ দ্বিতীয়-তৃতীয় দশকৰ পৰা অসমৰ চিত্ৰকলাত আধুনিকতাৰ সূত্ৰপাত হয়। শিল্পকলা ক্ষেত্ৰত অসমৰ শিল্পীসকলৰ বিশুদ্ধ তথ্যৰ অতি অভাৱ। কোনো নিৰ্দিষ্ট শিল্পী বা শিল্পৰ বিষয়ে ইতিসাহমূলক গ্ৰন্থ পাবলৈ নাই। বিভিন্ন আলোচনী, কাকত আদিত কিছু সমল পোৱা যায়। কলিকতাত শিল্পকলা অধ্যয়ণ কৰি অহা প্ৰথম চাৰিজন শিল্পীৰ মাজৰে ডিব্ৰুগড়ৰ মুক্তানাথ বৰদলৈক অসমৰ শিল্পকলাৰ আধুনিকতাৰ বাৰ্তাবাহী প্ৰথমজন অসমীয়া চিত্ৰকৰ হিচাবে অভিহিত কৰা হয় যদিও সেই সময়ৰ অসমৰ চিত্ৰকলাৰ সৈতে জড়িত শিল্পীসকলৰ বিষয়ক লৈ অধিক গৱেষণাৰ থল আছে।

ডিব্ৰুগড়ৰ মুক্তানাথ বৰদলৈয়ে কলিকতাৰ চৰকাৰী আৰ্ট স্কুলৰ পৰা ফাইন আৰ্টৰ ডিপ্লমা লাভ কৰে। কলিকতাৰ অৱনীন্দ্ৰনাথ ঠাকুৰ, নন্দলাল আৰু অতুল বসুৰ সৈতে তেওঁৰ ব্যক্তিগত পৰিচয় আছিল। ডিব্ৰুগড়লৈ ঘূৰি আহি বৰদলৈয়ে এটা ষ্টুডিঅ’ স্থাপন কৰে। ১৯৩০ চনত লক্ষ্মীনাথ বেজবৰুৱা ডিব্ৰুগড়লৈ অহাৰ সময়ত বৰদলৈৰ ষ্টুডিঅ’ পদাৰ্পণ কৰে আৰু সেই সম্পৰ্কে এখন কাকতত মুক্তানাথ বৰদলৈক ভূয়সী প্ৰসংসা কৰে আৰু বৰদলৈৰ দৰে শিল্পী কম ওলাব বুলি মন্তব্য কৰে। অসম ৰাজ্যিক সংগ্ৰাহালয়ত ‘অন্তিম সময়ৰ জয়মতী’, ‘জাকৈয়া ছোৱালী’ আৰু ‘কানি খোলা’ শিৰোনামাৰ তিনিখন চিত্ৰ সংৰক্ষিত হৈ আছে। বৰদলৈৰ ‘কানি খোলা’ আৰু তেজপুৰৰ চিত্ৰকলা পৰিষদত থকা ‘নৈসৰ্গ’ চিত্ৰকেইখন সেই সময়ৰ দলিল স্বৰূপ। তেওঁৰ চিত্ৰৰ ড্ৰয়িং, ফৰ্ম, বৰ্ণচয়ন, বৰ্ণপ্ৰয়োগ, সজ্জাবিন্যাস, চাঁ-পোহৰৰ ব্যৱহাৰ অতি উচ্চ মানৰ।

যোৰহাটৰ কাকতি গাঁৱত ১৮৮৫ চনত জন্ম লাভ কৰা লক্ষীনাথ বৰুৱাই দ্বিতীয় শতিকাতে কলিকতাৰ চৰকাৰী আৰ্ট স্কুলৰ পৰা ফাইন আৰ্টৰ ডিপ্লমা লাভ কৰে। যোৰহাটলৈ ঘূৰি আহি মিচন স্কুলত শিক্ষক হিচাবে যোগদান কৰে। স্কুলত ড্ৰয়িংৰ পাঠদানৰ লগতে ভাওনা, নাট, ৰাসৰ যাত্ৰা আদিৰ পট অঙ্কন কৰে। কিন্তু তেওঁ খ্ৰীষ্টান ধৰ্মলৈ ধৰ্মান্তৰিত হৈ খ্ৰীষ্টীয় ধৰ্মমূলক শিল্পকৰ্মত মনোনিৱেশ কৰে। মিচনৰ পৰা পদত্যাগ কৰি যোৰহাট চৰকাৰী বইজ স্কুলত শিক্ষক হিচাবে যোগদান কৰে। ১৯৭৭ চনত মৃত্যুৰ পূৰ্বে জীৱনৰ অন্তিম সময়ৰ দুটামান দশক তেওঁ শিল্পকৰ্মত মনোনিৱেশ কৰে। তেওঁৰ মূল চিত্ৰ পাবলৈ নাই, তেওঁৰ পুত্ৰৰ হাতত চিত্ৰৰ এখন প্ৰদৰ্শনী দুবছৰমান আগতে যোৰহাটত অনুষ্ঠিত কৰা হয়।

১৯০৫ চনত যোৰহাটৰ কেন্দুগুৰিত জন্মলাভ কৰা হেমচন্দ্ৰ বৰুৱাই ১৯২৬ চনত অসমৰ তদনীন্তন প্ৰধানমন্ত্ৰী চাদ্দুল্লাৰ সহযোগত কলিকতা চৰকাৰী আৰ্ট স্কুলৰ

পৰা ডিপ্লমা লাভ কৰি যোৰহাটলৈ ঘূৰি আহি ‘হেম আৰ্ট কটেজ’ ষ্টুডিঅ’ স্থাপন কৰি পৰ্টেটৰ লগতে ফটোগ্ৰাফিৰ কাম কৰে। সেই সময়ত ফটোগ্ৰাফিৰ সামগ্ৰী জাৰ্মানীৰ পৰা আমদানি কৰা হৈছিল। ১৯৪৬ চনত দ্বিতীয় মহাযুদ্ধৰ সময়ত জাৰ্মানীৰ পৰা ফটোগ্ৰাফিৰ সামগ্ৰী সৰবৰাহ বন্ধ হোৱাত ষ্টুডিঅ’ৰ কামকাজ বন্ধ হয়। বৰুৱাই পৰ্টেটৰ উপৰিও ভাওনাৰ, ৰাস আদিৰ পট অঙ্কনৰ লগতে মেক-আপ শিল্পী আছিল। ১৯৭৬ চনত হেমচন্দ্ৰ বৰুৱাৰ মৃত্যু হয়।

সুৰেন বৰদলৈয়ে (১৯০৭-১৯৮৩) তৃতীয় দশকতে কলিকতাৰ চৰকাৰী আৰ্ট স্কুলৰ পৰা ফাইন আৰ্টৰ ডিপ্লমা লাভ কৰে। যোৰহাটলৈ ঘূৰি আহি নৰ্মাল স্কুলত শিক্ষক পদত নিযুক্ত হয়। শিক্ষকতাৰ মাজতে তেওঁ ‘চচ পাউদাৰ’ আৰু তেল ৰঙেৰে প্ৰতিকৃতি অঙ্কন কৰিছিল। বিষ্ণুৰাভা আৰু বৰদলৈয়ে আঁকা শংকৰদেৱৰ প্ৰতিকৃতি প্ৰথম চিত্ৰৰূপৰ প্ৰয়াস বুলি কব পাৰি। যোৰহাটৰ চন্দ্ৰকান্ত ভৱনত থকা প্ৰতিকৃতিখন তেওঁৰ শ্ৰেষ্ঠ কীৰ্তি। শিল্পী সুৰেন বৰদলৈ কলিকতাৰ প্ৰখ্যাত ভাস্কৰ্য্যশিল্পী দেৱীপ্ৰসাদ ৰায়চৌধুৰী ছাত্ৰকালৰ সহপাঠী।

নগাঁৱৰ শশধৰ শইকীয়াৰ জন্ম ১৯০৭ চনত। অনুমানিক ১৯৩৩ চনত তেওঁ কলিকতাৰ চৰকাৰী আৰ্ট স্কুলৰ পৰা ডিপ্লমা গ্ৰহণ কৰে। কলিকতাৰ পৰা অসমলৈ ঘূৰি আহি নগাঁৱত চিত্ৰশালা স্থাপন কৰি অনুশীলন কৰে। পাছলৈ অসম পশু চিকিৎসা মহাবিদ্যালয়ৰ শিল্পী হিচাপে যোগদান কৰে আৰু শিল্প চৰ্চা অব্যাহত ৰাখে। তেওঁৰ চিত্ৰসমূহ ৰিয়েলিষ্টিক, সেই সময়ৰ সুন্দৰ উপস্থাপন। ১৯৭২ চনত শিল্পীগৰাকীৰ মৃত্যু হয়।

১৯০৯ চনৰ ৩০ জানুৱাৰীত বেঙ্গল প্ৰেসিডেন্সি ঢাকাত বিষ্ণুপ্ৰসাদ ৰাভাৰ জন্ম হয়। বিষ্ণুপ্ৰসাদ ৰাভাই ৰংপুৰ কলেজত পঢ়ি থকা কালতে মাধৱচন্দ্ৰ বেজবৰুৱাৰ দ্বাৰা সম্পাদিত ‘বাঁহী’ আলোচনীৰ চিত্ৰলেখা বিভাগ পৰিচালনা কৰে আৰু ‘আৱাহন’ আলোচনীত প্ৰবন্ধ লিখে। জ্যোতিপ্ৰসাদৰ জয়মতী কথাছবিত নৃত্য পৰিচালনাত সহযোগ কৰা এগৰাকী নিপুন চিত্ৰকৰ। তেওঁ শ্ৰীমন্ত শংকৰদেৱৰ আৰু শংকৰ-মাধৱৰ যুগল ছবি আঁকি তিনিটা ৰঙত ছপাই ৰাইজৰ মাজত বিতৰণ কৰে। ১৯৩৭ চনত অঙ্কিত ‘বিবাহোপলক্ষে বড়োসকলৰ সমদল’ চিত্ৰখনত বঙ্গ ধাৰাৰ প্ৰভাৱ দেখা যায়। সেইসময়ৰ ‘বাঁহী’, ‘আমাৰ প্ৰতিনিধি’ আদি আলোচনীৰ বেটুপাত অঙ্কণ কৰে। তেওঁৰ ৰাজনৈতিক আৰু পাৰিবাৰিক জীৱন অতি বিচিত্ৰময়। ১৯৬৯ চনৰ ২০ জুনত বিষ্ণুপ্ৰসাদ ৰাভাৰ মৃত্যু হয়।

১৯০১ চনত তেজপুৰৰ বান থিয়েটাৰে জন্ম লাভ কৰে। চিত্ৰপট অঙ্কনৰ জড়িয়তে বিখ্যাত হৈ পৰা শিল্পসকলৰ ভিতৰত পিয়াৰী মোহন চৌধুৰী, প্ৰদীপ সিংহ, বিমল ভট্টাচাৰ্য্য, অতুল বৰুৱা আদি। অৱশ্যে ১৮৯৬ চনতে কামৰূপৰ আদোৰাম কলিতাই

চিত্ৰপট অঙ্কন কৰাৰ কথা জানিব পৰা যায়। সেই সময়ৰ এজন গুণী শিল্পী শিৱসাগৰৰ ইন্দ্ৰেশ্বৰ বৰঠাকুৰ (১৮৮৭-১৯৬১)। তেওঁ অসমৰ বিভিন্ন মঞ্চৰ পট্ অংকনৰ বাবে কলিকতাৰ পৰা কাপোৰ আনি পট্ অংকন কৰিছিল।

ৰবি বৰ্মাৰ আৰ্হিত অঙ্কন কৰা উত্তৰ গুৱাহাটীৰ ৰত্নকান্ত শৰ্মা মজিন্দাৰ বৰুৱাৰ কথা উল্লেখ কৰিব পাৰি। তেওঁৰ চিত্ৰ 'গোষ্ঠ বিদায়' গড়মূৰ সত্ৰত আছে। জানিব পৰা মতে ১৯০১ চনত এই চিত্ৰখন অঙ্কন কৰি সত্ৰক উপহাৰ দিয়ে। ৰত্নকান্ত শমা মজিন্দাৰ বৰুৱা আৰু বহু সাময়িক শিল্পীৰ বিষয়ে যুগল দাসৰ লেখনীৰ পৰা কিছু আভাষ পোৱা যায়। সনাতন স ভা মূল মণ্ডপত ৰত্নকান্ত শৰ্মা মজিন্দাৰ বৰুৱাৰ তিনিখন চিত্ৰ ক্ৰমে ৰাম-নক্ষ্মণ-সীতা-হনুমান, শিৱ-পাৰ্বতী, ৰাধা-কৃষ্ণই শুৱনী কৰিছিল। কিন্তু উঁই পোকে ধৰাত ছবিকেইখন নষ্ট হয়।

কলিকতাৰ চৰকাৰী আৰ্ট স্কুলৰ পৰা ফাইন আৰ্টৰ ডিপ্লমা লাভ কৰা জগত সিং কছাৰী আৰু প্ৰতাপ বৰুৱা সমসাময়িক শিল্পী। দুয়োজনৰে আয়ুকাল অতি চুটি। জগত সিং কছাৰীৰ পিতৃ ধনসিংহ কছাৰী বিষ্ণুৰাভাৰ বৰদেউতাক, সেইসূত্ৰে জগত সিং কছাৰী আৰু বিষ্ণু ৰাভা ককাই-ভাই। জগত সিং কছাৰীৰ অঙ্কন শৈলী আছিল অতি সুন্দৰ। যিসকলে তেওঁৰ চিত্ৰ দেখিছে, তেওঁলোকে প্ৰসংসাত পঞ্চমুখৰ হৈ প্ৰসংশাসূচক মন্তব্য কৰিছে। তেওঁৰ স্কেছবুকত কবিগুৰু ৰবীন্দ্ৰনাথ ঠাকুৰে এক দীঘলীয়া প্ৰসংশাসূচক মন্তব্য কৰিছিল। চিত্ৰকলা পৰিষদত তেওঁৰ কেইখনমান ক্ৰেয়ণ আৰু ৰাছ পেইন্টিং আছে। ১৯৩১ চনত কলিকতা চৰকাৰী আৰ্ট স্কুলৰ পৰা ফাইন আৰ্টৰ ডিপ্লমা লাভ কৰি ঘূৰি অহাৰ এবছৰমান পাছতেই জগত সিং কছাৰীৰ (প্ৰায় ৩২ বছৰ বয়সত) অকাল মৃত্যু হয়।

১৯১১ চনত জন্ম লাভ কৰা প্ৰতাপ বৰুৱাই কলিকতা চৰকাৰী আৰ্ট স্কুলৰ পৰা ফাইন আৰ্টৰ ডিপ্লমা লাভ কৰে। তেওঁৰ ভালেকেইখন চিত্ৰ 'আৱাহন'ৰ পাতত প্ৰকাশ পায়। তাৰ মাজৰে 'হাটৰ মাজত' চিত্ৰখনত বঙ্গীয় ধাৰাৰ প্ৰভাৱ সুস্পষ্ট। ১৯৩৩ চনত প্ৰকাশিত 'দাম্পত্য অভিনয়' প্ৰথম অসমীয়া কাৰ্টুন। (এইখিনিতে উল্লেখ কৰা প্ৰয়োজন-সময়ৰ তাগিদাত লক্ষীনাথ বেজবৰুৱাই বহু কাৰ্টুন অংকন কৰিছিল।) প্ৰতাপ বৰুৱাৰ বাৰখনমান চিত্ৰ চিত্ৰকলা পৰিষদত সংৰক্ষিত হৈ আছে। তাৰ ভিতৰত ১৯৩০ চনতে আঁকা ষ্টীল লাইফ 'আপেলবোৰ' যিকোনো দৰ্শককে চমক দিব পৰা চিত্ৰ। আন এখন স্বচ্ছ পানী ৰঙৰ চিত্ৰ 'সন্যাসী'।

প্ৰতাপ বৰুৱা চিত্ৰশিল্পীৰ লগতে অসমৰ প্ৰথমজন কেমেৰামেন। (বহু সমালোচকৰ মতে জীৱিকাৰ তাড়নাত তেওঁ কেমেৰামেন হয় বুলি উল্লেখ) তেওঁ জ্যোতি প্ৰসাদৰ প্ৰথমখন অসমীয়া বোলছবি 'জয়মতী'ৰ চিত্ৰগ্ৰহণ কৰে। Fellowship of London ৰ দৰে প্ৰসিদ্ধ অনুষ্ঠানৰ মাননীয় সদস্য আৰু Fezi Sound Equipments লাহোৰৰ

এগৰাকী নিষ্ঠাবান কৰ্মী। তেওঁ উৰ্দু বোলছবিৰ পোষ্টাৰ ডিজাইন কৰে। ১৯৩৪ চনত এইজন শিল্পীৰ অকাল মৃত্যু হয়।

১৯১৯ চনত তেজপুৰত অসম ছাত্ৰ সন্মিলনৰ অধিৱেশন অনুষ্ঠিত হয়। সেই অধিৱেশনত সংগীত-নৃত্যৰ লগতে অসম ভিত্তিত চিত্ৰকলা প্ৰদৰ্শনীৰ (সামাজিক প্ৰদৰ্শনী) আয়োজন কৰা হয়। জ্যোতিপ্ৰসাদ আগৰৱালাই তেওঁৰ নিজা বাসভৱন 'পকী'ত প্ৰদৰ্শনীৰ বাবে কলিকতাত পঢ়ি থকা ডিব্ৰুগড়ৰ মুক্তানাথ বৰদলৈৰ লগতে জগত সিং কছাৰী, প্ৰতাপ বৰুৱা আদি শিল্পীক চিত্ৰাঙ্কনৰ সুবিধা কৰি দিয়ে। পৰৱৰ্তী কালত তেজপুৰ চিত্ৰকলাৰ পীতস্থান হৈ পৰে।

হৰিবিলাস আগৰৱালাৰ পুত্ৰ পৰমানন্দৰ উদ্যোগত 'পকী' হৈ পৰে শিল্প চৰ্চাৰ প্ৰাণকেন্দ্ৰ। এই 'পকী'ৰ পৰাই পৰমানন্দৰ পুত্ৰ জ্যোতিপ্ৰসাদে প্ৰথমখন অসমীয়া বোলছবি 'জয়মতী' নিৰ্মাণ কৰে। অসমৰ স্বাভিমান স্বৰূপ জ্যোতিপ্ৰসাদৰ সংগীত চৰ্চাৰ সংস্কৃতি ভৱনস্বৰূপ 'পকী'ৰ দায়িত্ব অসম চৰকাৰে লয়;১৯৭৭ চনৰ ১৭ জানুৱাৰী তাৰিখে ৰাজ্য চৰকাৰে 'জ্যোতিভাৰতী' নামকৰণেৰে 'পকী'ক চৰকাৰৰ সম্পত্তি হিচাপে ঘোষণা কৰে।

জীৱেশ্বৰ বৰুৱাৰ জন্ম ১৯০৬ চনত; শিৱসাগৰৰ আমোলাপট্টিত। শৈশৱৰে পৰা তেওঁ শিল্পৰ প্ৰতি আকৃষ্ট হয়। জীৱনৰ বহু পৰিক্ৰমাৰ মাজেৰে জীৱেশ্বৰ বৰুৱাই পানবজাৰ বালিকা বিদ্যালয়ত চিত্ৰকলাৰ শিক্ষক হিচাপে নিযুক্ত হয়। সেই বিদ্যালয়তে তেওঁ এখন আৰ্ট স্কুল প্ৰতিষ্ঠা কৰে যদিও সফল নহ'ল; ফটোগ্ৰাফীৰ ব্যৱসায় আৰম্ভ কৰে। ১৯৪৭ চনত পানবজাৰৰ ডনবস্কো স্কুলৰ এটা কোঠাত আৰ্ট স্কুল পুনৰ আৰম্ভ কৰে। জীৱেশ্বৰ বৰুৱা সেই সময়ৰ ললিত কলা একাডেমিৰ সম্পাদক আছিল; ললিত কলা একাডেমিৰ উদ্যোগত চিলং আৰু গুৱাহাটীত চিত্ৰ প্ৰদৰ্শনী অনুষ্ঠিত কৰে। ১৯৬৪ চনৰ ৩১ জানুৱাৰীত গুৱাহাটীত জীৱেশ্বৰ বৰুৱাৰ মৃত্যু হয়।

বৰুৱাৰ মৃত্যুৰ পিছত এই ললিত কলা একাদেমী পৃথক হৈ স্বাধীনভাৱে চৰকাৰী চাৰু আৰু কাৰু কলা মহাবিদ্যালয় (Government College of Arts and Crafts, Assam) নামেৰে প্ৰসিদ্ধ হয়। ২০০৫ চনলৈকে শান্তিপুৰত থকাৰ পাছত বশিষ্ঠলৈ স্থানান্তৰ হয়।

ভৱেশ চন্দ্ৰ স্যানেলক ভাৰতৰ মডাৰ্ণ আৰ্টৰ জনক বুলি অভিহিত কৰা হয়। ভৱেশ চন্দ্ৰ স্যানেলৰ জন্ম ১৯০২ চনৰ ২২ এপ্ৰিলত অসমৰ ডিব্ৰুগড়ৰ শান্তিপাৰাত। ১৯২০ চনত শ্ৰীৰামপুৰ কলা মহাবিদ্যালয়ত আৰু ১৯২৩চনত কলিকতাৰ চৰকাৰী কলা বিদ্যালয়ত ভৰ্ত্তি হয়।

১৯২৯ চনত লাহোৰত অখিল ভাৰতীয় কংগ্ৰেছ কমিটিৰ [AICC] বৈঠকত ভৱেশ চন্দ্ৰ স্যানেলে লালা লাজপট ৰাইৰ প্ৰতিমূৰ্তি নিৰ্মাণ কৰে। সেই সময়ৰ লাহোৰৰ মায়ু স্কুল অফ আৰ্ট [Mayo School of Arts, Lahore]ৰ অধ্যক্ষ আছিল লিউনেট হেইথ [Lionel Heath]। হেইথে স্যানেলৰ কামত অভিভূত হৈ লাহোৰৰ মায়ু স্কুল অফ আৰ্টত

নিযুক্তি দিযে। ১৯৩৬ চনত শিক্ষকৰ পদৰ পৰা ইস্তফা দি ষ্টুডিওৰ লগতে 'লাহোৰ স্কুল অফ ফাইন আৰ্ট' প্ৰতিষ্ঠা কৰে। পাছলৈ সেইসময়ত লাহোৰৰ প্ৰসিদ্ধ বহুকেইজন শিল্পীৰ চিত্ৰকৰ্মৰ প্ৰদৰ্শনী আয়োজন কৰা হয়। প্ৰদৰ্শনীত অংশগ্ৰহণ কৰা শিল্পীসকলৰ ভিতৰত এ. আৰ. চুগটাই [A.R. Chugtai], আল্লা বক্স [Alla Bux], ৰূপ [Roop] আৰু মেৰি কৃষ্ণ [Mary Krishna], হ'ল বিভা পেটমেন [Hall Bevan Petman], এ. হ'লেট [A. Hallet], ৰাম লাল [Ram Lal], শ্ৰীনিভাচ [Siriniwas], বি.পি. চিংলু [B.P. Singlu] আৰু ভৱেশ চন্দ্ৰ স্যানেল অন্যতম। বিখ্যাত শিল্পী অমৃতা শ্বেৰগিলৰ সৈতে তেওঁৰ ভাল বন্ধুত্ব আছিল। শ্বেৰগিলৰ মৃত্যুৰ পাছত তেওঁৰ সমস্ত ৰং, তুলিকা, কেনভাচ স্যানেলক দিয়ে। ১৯৩৮-১৯৩৯ চনৰ ভিতৰত লাহোৰ স্কুল অফ ফাইন আৰ্টৰ বহু মেল মিটিং অনুস্থিত হয়। সভাত এ. আৰ. বুখাৰী [A.S. Bukhari], চাজিদ জুহিৰ [Sajjad Zuheer], খাৱাজা আহমেদ আব্বাছ [Khwaja Ahmed Abbas], অ. চি. গাঙ্গুলী[O.C. Ganguly], ৰজনী পালমে দত্ত [Rajani Palme Dutt] আৰু উদয় শংকৰ [Uday Shankar], ৰাম গোপাল [Ram Gopal], হাফিজ জলন্ধৰী[Hafeez Jallundhari] আদি বিশিষ্ট ব্যক্তিয়ে লাহোৰ স্কুল অফ ফাইন আৰ্টৰ মজিয়াত বক্তিতা প্ৰদান কৰে। লাহোৰত থকা শেষৰফালে ভৱেশ চন্দ্ৰ স্যানেল পাঞ্জাব ফাইন আৰ্ট চচাইটি [Punjab Fine Arts Society]ৰ সম্পাদক পদলৈ নিৰ্বাচিত হয় যদিও ভাৰত পাকিস্থানৰ বিভাজনৰ সময়ত ভৱেশ চন্দ্ৰ স্যানেল পত্নী স্নেহলতা আৰু কেঁচুৱা কন্যাৰ সৈতে দিল্লীলৈ বিতাৰিত হয়।

দিল্লীত ভৱেশ চন্দ্ৰ স্যানেলে দিল্লীৰ শিল্পীসকলক লৈ যন্তৰ-মন্ত্ৰৰত দিল্লী শিল্পী চক্ৰ গঠন কৰে। এই শিল্পী চক্ৰত দিনাকৰ কৌশিক [Dinkar Kowshik], কে. এচ কুলকাৰ্ণী [K.S. Kulkarni], কাঁৱাল কৃষ্ণ [Kanwal Krishna], শঙ্কৰ পিল্লাই [Shankar Pillai], জয়া আপাস্বামী [Jaya Appasamy], কে.চি. আৰ্য্য [K.C. Aryan], ৰাম কুমাৰ [Ram Kumar], ধনৰাজ ভগত [Dhanraj Bhagat], পি.এন. মঙ্গো [P. N. Mago] আদি বহুতো শিল্পীৰ জড়িত হৈ পৰে। ভৱেশ চন্দ্ৰ স্যানেলৰ এজন অতি যোগ্য সংগঠক ; তেওঁ প্ৰায় (১৯৬০) চনত ললিত কলা একাডেমিৰ খচৰা সংবিধানৰ সাক্ষৰকাৰী হিচাপে স্থান পায়; আৰু পাছলৈ ললিত কলা একাডেমিৰ সম্পাদক আৰু ভাইচ চেয়াৰমেন পদত নিযুক্তি দিয়া হয় (১৯৬০-১৯৬৯)। সেই সময়চোৱাত সমগ্ৰ ভাৰতত সক্ৰিয় শিল্পীসকলক নিজৰ সংস্পৰ্শলৈ আনে।

অসমৰ নীলপৱন বৰুৱা, ধ্ৰুৱ ডেকা, মনোৰঞ্জন শূৰ, প্ৰাণবেন্দু বিকাশ ধৰ, বেনু মিশ্ৰ, জ্ঞানেন্দ্ৰ কাকতি, নৰেন দাস,ভূপেন্দ্ৰ নাৰায়ন ভট্টাচাৰ্য, আমিনুল হক প্ৰমুখ্যে শিল্পীসকল একগোট হৈ ষ্টেট ললিতকলা স্থাপনৰ বাবে ভৱেশ চন্দ্ৰ স্যানেললৈ প্ৰস্তাৱ আগবঢ়োৱা হয়, তেওঁৰ আগ্ৰহত কিছু অগ্ৰগতি লাভ কৰাৰ পাছত বিশেষ কাৰণবশত অসমত 'ষ্টেট ললিতকলা' স্থাপন কৰিব পৰা নগ'ল, কিন্তু ললিতকলা একাডেমীয়ে অসমৰ শিল্পকলা প্ৰসাৰ আৰু প্ৰচাৰৰ বাবে উদ্যোগ লয়। আৰ্টিষ্ট গ্ৰীন্ডক ললিতকলা

একাডেমী তৰফৰ পৰা স্বীকৃতি প্ৰদান কৰে; তদুপৰি আৰ্থিক অনুদান আগবঢ়োৱাৰ লগতে গ্ৰীল্ডৰ প্ৰদৰ্শনী আৰু বছেৰেকীয়া অনুষ্ঠানত ভাগ লয়। অসমৰ শিল্পীসকলক নতুন দিল্লীত প্ৰদৰ্শনী আয়োজন কৰাৰ ক্ষেত্ৰত পৰামৰ্শ দিয়াৰ লগতে যথেষ্ট সহায় সহযোগ আগবঢ়ায়। অসমৰ বিখ্যাত সাহিত্যিক ড° বীৰেন্দ্ৰকুমাৰ ভট্টাচাৰ্য্যৰ সৈতে তেওঁৰ গভীৰ বন্ধুত্ব আছিল। ২০০৩ চনৰ ৯ জানুৱাৰি তাৰিখে নতুন দিল্লীত ১০১বছৰ বয়সত তিনিটা যুগৰ সমন্বয়ক ভৱেশ চন্দ্ৰ স্যানেলৰ মৃত্যু হয়।

১৯৫৮ চনত দিল্লীত প্ৰথমখন ৰাষ্ট্ৰীয় প্ৰদৰ্শনী অনুষ্ঠিত হয়। জীৰেশ্বৰ বৰুৱাৰ প্ৰচেষ্টাত ললিত কলা একাডেমিয়ে গুৱাহাটীত আৰু ১৯৬২ চনত চিলঙত প্ৰদৰ্শনী আয়োজন কৰে। চিলঙৰ প্ৰদৰ্শনীত ভৱেশ চন্দ্ৰ স্যানেলৰ চিত্ৰ প্ৰদৰ্শিত হয়।

আধুনিকতাৰ বাৰ্তাবাহীসকলৰ মাজত আজি সেই হোজা সহজ সৰল শিল্পী, অথবা সমাজ বহিৰ্ভূত অহৌবলিয়াজন এজন হ'ল মহেন্দ্ৰনাথ মৈহেংদাং ডেকা ফুকন ওৰফে মনাই বৈৰাগী। তেওঁৰ জন্ম ১ জানুৱাৰী, ১৯০৩ চন। তেওঁ আছিল গুৱাহাটী নিৱাসী লক্ষ্মীনাথ ফুকনৰ জেষ্ঠ পুত্ৰ। মৈ হেংদাং মহেন্দ্ৰনাথ ডেকা ফুকন একেধাৰে কবি, চিত্ৰশিল্পী, সাংবাদিক, স্বাধীনতা যুঁজাৰু, বহু ভাষা কব পৰা (বহুভাষিক) গুণৰ গৰাকী আৰু কাৰিকৰি বিষয়ত পাৰ্গত আছিল। কটন কলেজত পঢ়ি থকা কালতেই ঘৰ এৰি ব্ৰহ্মদেশৰ ৰেংগুনৰ পৰা প্ৰকাশিত ৰেংগুণ মেইলৰ সহ সম্পাদনাৰ দায়িত্ব লয়, আৰু The London Art Coৰ সৈতে জড়িত হৈ পৰে আৰু পাছলৈ কলিকতাৰ আচাম বেংগল প্ৰেছৰ পৰিচালক হিচাপে যোগদান কৰে। তেওঁ ব্ৰহ্মদেশত থকা কালচোৱাত পৰীক্ষামূলক চিনেমা নিৰ্মাণ কৰে যদিও সঠিক সংৰক্ষণৰ অভাৱত সংৰক্ষণ নহ'ল। তেওঁৰ উল্লেখযোগ্য তথা যুগমীয়া সৃষ্টি হ'ল ১৯৩০ চনত আঁকা কটন কলেজৰ চিহ্ন (ল'গ্), ১৯৭০ চনত আঁকা অল ইণ্ডিয়া নেচনেল চেভিংচ অৰ্গেনাইজেচনৰ ল'গ আৰু ১৯৭২ চনত আঁকা নগাওঁ ল' কলেজ আৰু নগাঁৰৰ কল্লোল সাংস্কৃতিক গোষ্ঠীৰ চিহ্ন (ল'গ্) তথা বুৰঞ্জীবিদ সূৰ্য্যকুমাৰ ভূঞাৰ 'শৰাইঘাটৰ সুবচন' গ্ৰন্থৰ সুন্দৰ বেটুপাত অঙ্কন। তেওঁৰ অধিকাংশ কৰ্মই সংৰক্ষণৰ অভাৱত নষ্ট হ'ল। ১৯৭৪ চনত এইজন শিল্পী-সাংবাদিকৰ মৃত্যু হয়। তেওঁৰ সোঁৱৰণত কটন মহাবিদ্যালয়ৰ ছাত্ৰাবাস মহেন্দ্ৰনাথ ডেকা ফুকন ছাত্ৰাবাস নামেৰে নামাকৰণ কৰা হৈছে। নগাঁৰৰ কল্লোল সাংস্কৃতিক গোষ্ঠীয়ে তেওঁৰ সন্মানৰ্থে 'ডেকাফুকন কলা বিথিকা ভৱন' নামাকৰণ কৰে।

১৯৩৫ চনৰ শেষৰফালে সকলোৰে অজ্ঞাতে ঘৰৰ পৰা গৈ কলিকতাৰ শান্তিনিকেতনত উপস্থিত হোৱা শিল্পীজন গজেন বৰুৱা। তেওঁ শান্তিনিকেতনত চিত্ৰাংকনৰ শিক্ষা গ্ৰহণ কৰে; তাৰপিছত কলিকতা এৰি লাহোৰৰ 'কেপিটেল চিনে ষ্টুডিঅ'ত সহকাৰী শিল্পী হিচাপে যোগদান কৰে আৰু সেই প্ৰতিষ্ঠানতে চিত্ৰকলাৰ এটা বিশেষ পাঠ্যক্ৰমো সম্পূৰ্ণ কৰে। সত্ৰীয়া নৃত্যৰ লাস্যময়তাত সন্মোহিত হৈ নৃত্যশিল্পী গোপালকৃষ্ণনে বৰুৱাক

তেওঁৰ 'অৰিয়েণ্টেল বেলেট' নামৰ নৃত্য দলত অন্তৰ্ভুক্ত কৰে আৰু এই নৃত্যদলৰ পৰাই বিশ্ববিশ্ৰুত ফৰাচী নৃত্যপটীয়সী লা মেৰীৰ সৈতে বৰুৱাৰ সংযোগ ঘটে আৰু লাহোৰ, কৰাচী, বোম্বে, বৰোডা, ভূপাল, দিল্লী, কলিকতা, ঢাকা আদি ভাৰতৰ বিভিন্ন ঠাইত নৃত্য প্ৰদৰ্শন কৰে। গজেন বৰুৱা জ্যোতিপ্ৰসাদ আৰু বিষ্ণু ৰাভাৰ সহযোগী।

আধুনিক পাচ্যাত্য ধাৰাৰে প্ৰভাৱিত হেমন্ত মিশ্ৰৰ জন্ম ১৯১৭ চনত, শিৱসাগৰত। চিলংত পঢ়ি থকা কালত তেওঁ ইংলেণ্ডৰ জন হাচেলৰ পৰা ডাক যোগে শিল্পকলাৰ প্ৰশিক্ষণ গ্ৰহণ কৰে। তেওঁৰ চিত্ৰত অধিবাস্তৱবাদ (Surrealism) আৰু ঘনবাদ (Cubism)ৰ প্ৰভাৱ পৰিলক্ষিত হয়। হেমন্ত মিশ্ৰ কলকতা গ্ৰুপৰ সৈতে জড়িত আছিল। পাচ্যাত্য শিল্পৰ দ্বাৰা প্ৰভাৱিত হয় যদিও তেওঁৰ চিত্ৰতভাৰতীয় দ্ৰুপদী তথা লোকায়ত চেতনা যুক্ত হৈ আছে। অসম চৰকাৰৰ প্ৰচাৰ আৰু বাতৰি বিভাগত কাৰ্য্যনিৰ্বাহ কৰা সময়চোৱাত অঁকা চিত্ৰত পৰ্বত ভৈয়ামৰ বহু চিত্ৰ অংকন কৰে ; সেই ছবিত পৰ্বত ভৈয়ামৰ সমন্বয় প্ৰতিফলিত হৈছে। দেশ বিদেশৰ বহু সংগ্ৰাহালয়ত তেওঁৰ চিত্ৰ সংৰক্ষিত হৈ আছে। তেওঁ ভাৰতীয় চিত্ৰকলাৰ সম্পৰ্কী 'ভাৰতীয় চিত্ৰকলা' নামৰ গ্ৰন্থ ; শিল্পকলা সম্পৰ্কীয় লেখা আৰু কবিতাপুথি ৰচনা কৰে। ১৯৮৩ চনত হেমন্ত মিশ্ৰৰ মৃত্যু হয়।

তৰুন দুৰৰাৰ ১৯১২ (?) চনৰ ১মাৰ্চ তাৰিখে ডিব্ৰুগড়ত জন্ম হয়। অসমৰ আধুনিক শিল্পৰ অন্যতম অগ্ৰণী শিল্পীজনে কলিকতাত শিক্ষাগ্ৰহণ কৰে। তেওঁ বিভিন্ন মাধ্যমত (তেল, পানী-বৰ্ণ, পেষ্টেল, চাৰ্কল, পেঞ্চিল) চিত্ৰ অংকন কৰিছে।গ্ৰামীণ অসমীয়া নাৰীৰ তাঁতশাল চিত্ৰৰ প্ৰকাশ কৰা সৌন্দৰ্য লক্ষণীয়।

১৯৩৩ (?) চনত তৰুণ দুৰৰাই অল ইন্ডিয়া আৰ্ট প্ৰতিযোগিতাত পি.চি. চ্যাটাৰ্জি স্বৰ্ণপদক জয় কৰে। পণ্ডিত নেহেৰু, আৰু ইন্দিৰা গান্ধীয়ে প্ৰসংশাৰ বাৰ্তা প্ৰেৰণ কৰে। ঐতিহ্যময় অসমীয়া কাপোৰত বোৱা মোটিফৰ ওপৰত ভিত্তি কৰি তৈয়াৰ কৰা সূক্ষ্ম নক্সাই ৰমেন্দ্ৰনাথ চক্ৰবৰ্তীৰ দ্বাৰা আয়োজিত আন্তৰ্জাতিক প্ৰদৰ্শনীত উত্তৰ-পূবক প্ৰতিনিধিত্ব কৰা অল ইণ্ডিয়া ডেন্টেল কাউন্সিলৰ প্ৰতীক হিচাপে নিৰ্বাচন কৰে আৰু তেওঁৰ চিত্ৰকৰ্মৰ সৈতে ৰাষ্ট্ৰপতি ভৱনৰ দেৱালত শোভা বৰ্দ্ধন কৰে। তেওঁ ভাৰতৰ বিভিন্ন অংশৰ বহুতো প্ৰদৰ্শনীত অংশ গ্ৰহণ কৰাৰ লগতে বহু একক প্ৰদৰ্শনী অনুষ্ঠিত কৰে। তাৰ ভিতৰৰ দুখন একক প্ৰদৰ্শনী যথাক্ৰমে জয় প্ৰকাশ নাৰায়ণ (যোৰহাট-১৯৪৭ আৰু জয়ৰাম দাস দৌলতৰামৰ (চিলং-১৯৫২) দ্বাৰা উদ্বোধন কৰা হয়। যি সময়ত অসমৰ প্ৰথম চাৰিজন প্ৰশিক্ষণ প্ৰাপ্ত আধুনিক শিল্পীৰ দ্বাৰা অনুপ্ৰাণিত হৈ, তৰুণ দুৰৰা ছ বছৰীয়া একাডেমিক প্ৰশিক্ষণ গ্ৰহণৰ উদ্দেশ্যেৰে কলিকতালৈ যাত্ৰা কৰে, সেই সময়ত (১৯৩৬ চন) অধ্যক্ষ আছিল শিল্পী মুকুল দে। শিল্পী ৰামকিঙ্কৰ বেজ, অবনীন্দ্ৰনাথ ঠাকুৰ, অতুল বোস আদি শিক্ষাগুৰুৰ পৰা অনুপ্ৰেৰণা লাভ কৰে।

চিত্ৰকলাৰ উপৰিও তৰুণ দুৰৰাৰ বহুমুখী ব্যক্তিত্ব শৈশৱকালৰ পৰাই নৃত্য,

সংগীত আৰু অভিনয়ৰ ক্ষেত্ৰত দক্ষতা প্ৰকাশ পায়। তেওঁ ফনী তালুকদাৰ ৰচিত ‘‘জুয়ে পোৰা পুত্ৰ’’ নাটকত মুখ্য চৰিত্ৰত অভিনয় কৰি ১৯৪৩ চনৰ নাটকৰ জাতীয় পুৰস্কাৰ অৰ্জন কৰে। তেওঁ আঠখন অসমীয়া চলচিত্ৰত অভিনয় কৰে। তেওঁ অসম চৰকাৰৰ শিল্প পৰামৰ্শদাতা আৰু প্ৰদৰ্শনী অফিচাৰ হিচাপে কাম কৰে। তেওঁ বহু প্ৰবন্ধ আৰু নিবন্ধ লিখে। ‘ফুলৰ চানেকি’ আৰু ‘অসমৰ শিল্প আৰু কাৰুশিল্প’ শীৰ্ষক দুখন গ্ৰন্থ প্ৰকাশ কৰে। তেওঁ বিখ্যাত কবি গনেশ গগৈৰ সৈতে দক্ষিণ-যজ্ঞ আৰু সীতা-বনবাস নামৰ দুখন দুই অংকৰ নাটক ৰচনা কৰে। ‘তেওঁৰ শৈল্পিক আৱেগ জুইৰ শিখাৰ দৰে আৰু তেওঁৰ স্বপ্নবোৰ তৰাম্বিত হৈ উঠিছে’ বুলি বুৰঞ্জীবিদ ডাঃ সূৰ্য কুমাৰ ভূঁঞাই দুৰৰাৰ এটি কবিতাত প্ৰকাশ কৰিছিল। এদিন সকলোৱে এই বহুমুখী ব্যক্তিত্বক স্মৰণ কৰিব। শিল্পীজনৰ ১৯৯৯ চনৰ ৯ জুলাই তাৰিখে গুৱাহাটীত মৃত্যু হয়।

ডিব্ৰুগড়ত জন্মলাভ কৰা আজীৱন শিল্পী অভয় দুৰৰা। অভয় দুৰৰাই জীৱনৰ না না বাধা-বিঘিনি অতিক্ৰম কৰি মনত সপোনৰ ৰং বিচাৰি হাতত তুলিকা লৈ আগুৱাই যায়। তেনেই গতানুগতিক জীৱনত প্ৰতিখন ছবি আৰম্ভ কৰাৰ আগতে তেওঁ ইউ. কে কাৰ্ডিমেন নিউমেনৰ ভাৱেৰে এটি মৌন উপাসানা কৰে- ‘মোক আগুৱাই নিয়া হে দয়াৰ পোহৰ। দূৰৈৰ সেই পোহৰ দেখাৰ ভাগ্য মোৰ নাই, মই জানো, এখোজ ওচৰ পালেই মোৰ বাবে যথেষ্ট।’ শিল্পীজনৰ কথাৰে চোৱা যাওক- ‘মোৰ ৰঙৰ ক্ষেত্ৰত সথিক প্ৰাথমিক জ্ঞান আছে, গুৰুসকলে গায়ত্ৰী মন্ত্ৰ শিকোৱাদি শপত দি শিকোৱা ৰঙৰ যাদুখিনিও জানো। তাৰ উপৰিও ছবি অঁকাৰ সকলো সৰঞ্জাম মজুত থকা স্বত্বেও মাহৰ পাছত মাহ পাৰহৈ যোৱাৰ পাছতো মাত্ৰ এটি অপাৰ্থিৱ উপাদানৰ অভাৱত এখনো ছবি অঁকা নহয়। যি উপাদানৰ অভাৱত এখন ছবি অঁকা হৈ নুঠে, সেই উপাদানৰ কথা কিদৰে বুজাওঁহ্ক ....তেজপুৰত থাকোতে ডেকাবন্ধু জয় দাস, হেম মহন্ত, প্ৰতিভাশীল খনিকৰ লম্বোদৰ হাজৰিকাক লগ পাই বহু কথা আলোচনা কৰা হৈছিল যদিও সেই সময়ত কোনো ভাল ছবি আঁকিব পৰা নগ’ল। ..... ১৯৪২ চনৰে পৰা বিষ্ণুৰাভাৰ সৈতে চিনাকী যদিও তেখেতৰ ছবি এখন অঁকাৰ কথা চিন্তাই কৰা হোৱা নাছিল।... পাছত অৱশ্যে কেবাখনো ছবি অঁকা হ’ল। শেষৰখন মোৰ ঘৰতে পৰি ৰ’ল।’

ভূপেন হাজৰিকাই গোৱা মনালিচা লিংডো গীতটি শুনাৰ পাছত মনালিচা লিংডো ছবিখন কেনভাচত জীৱন্ত হৈ উঠিল। বুঢ়া লুইত, বহ্নিমান ব্ৰহ্মপুত্ৰ, দি মুন এণ্ড চিকচ পেনচ, বন্ধুবৰ হেমন্ত কাকতী আদিৰ ছবিও সেইদৰেই অঁকা। নিজে অঁকা ছবিত সন্তুষ্টিৰ বিষয়ে শিল্পী অভয় দুৰৰাই কৈছিল- এবাৰ অস্কাৰ ৱাইল্ডয়ে কৰবাত লিখিছিল-‘আমোদৰ বিষয়ত চিগাৰেটেই আটাইতকৈ উৎকৃষ্ট কাৰণ চিগাৰেট হুপি হেঁপাহ নপলায়। এই ক্ষেত্ৰত মিঃ ৱাইল্ডৰ সমবয়সীয়া হোৱাহ’লে কলোহেঁতেন-চিগাৰেটৰ লগত পেইন্টিংও যোগ দিয়ক, ছবি আঁকিও হেঁপাহ নপলায়।’

...হাত বদলি হৈ আৰ্ট হৈ পৰে বেপাৰৰ বস্তু আৰু তাৰ পিছৰ বেচাকিনবোৰত ছবিখনৰ মূল্য বাঢ়ি গৈ থাকে। শিল্পীগৰাকী ইমান দিনলৈ জীয়াই নাথাকিবও পাৰে। শিল্পীসকল যেতিয়া সমাজৰে এক অংগ, সেয়ে দৃঢ়তাৰে ভাবো অসমৰ গাঁৱেভূঁয়ে জীৱনৰ লগত সংগ্ৰাম কৰি ভাগৰি পৰা শিল্পীসকলৰ ছবিবোৰ চৰকাৰে উচিত মূল্যত কিনি আনি গুৱাহাটীৰ বাহিৰেও অসমৰ আন আন ঠাইত চিত্ৰ সংগ্ৰহালয় খুলি ৰাইজে চাই তৃপ্তি লাভ কৰিব পৰাকৈ ৰাখিব লাগে। তাকে কৰিলে ছবিবোৰত সকলোৱে নিজকে বিচাৰি পাব। গুৱাহাটীত থুপ খুৱাই থোৱা ছবিবোৰ অসমৰ কিমান মানুহে দেখিছে? চাৰুকলা গীত হ'ব নোৱাৰে, চাৰুকলাই কোনো শব্দৰ অবিহনে যি অনুভূতিৰে হৃদয় স্পৰ্শ কৰে, সি উচ্চখাপৰ সংগীততকৈ প্ৰৱল আৰু মৰ্মস্পৰ্শী...

শিৱসাগৰ, চেৰেকাপৰাত ১৯৩৩ চনত জন্মগ্ৰহণ কৰা পদুম চন্দ্ৰ বুঢ়াগোঁহাই এজন অতি উচ্চ স্তৰ চিত্ৰশিল্পী আৰু ভাস্কৰ। শিল্পীজনে সৰুকালতে এবাৰ মাকৰ সৈতে শিৱসাগৰৰ শিৱদ'ল দৰ্শণ কৰা সময়ত খোদিত কাৰু কাৰ্য্য দেখি অতিকৈ আকৰ্ষিত হয়। ১৯৫১ চনত গোঁহাইয়ে মেট্ৰিক পাছ কৰে আৰু শিল্পকলা বিষয়ত উচ্চাশিক্ষা লবৰ বাবে তেওঁ বোম্বাইৰ জে.জে. স্কুল অৱ আৰ্টত নাম ভৰ্ত্তি কৰে। কিন্তু জে.জেৰ পাঠ্যক্ৰমত ব্যৱসায়িক আৰ্হিৰ হোৱা বাবে দিল্লী পায়গৈ। কিন্তু তাতো একে আৰ্হিৰ বাবে দিল্লী এৰি কলিকতাৰ শান্তিনিকেতনত ভৰ্ত্তি হয়। পঢ়িথকা সময়ত বিভিন্ন সাংস্কৃতিক দিশত (নৃত্য) পাৰদৰ্শীতা দেখুৱায় আৰু পোলেণ্ড, হাঙ্গেৰী আৰু ব্ৰহ্মদেশ আদিত ভ্ৰমন কৰে।

১৯৫৭ চনত তেওঁ ভাস্কৰ্য্য বিষয় মুখ্য হিচাপে লৈ প্ৰথম স্থানত চাৰুকলাৰ স্নাতক ডিগ্ৰী লাভ কৰে। তেওঁৰ উল্লেখযোগ্য কাৰ্য্য হ'ল অজন্তাৰ ১৭ নং গুহা মেৰামতি কামত অংশগ্ৰহণ। তেওঁ ১৯৬১ চনত চেণ্ট্ৰেল ইন্সটিটিউট অফ এডুকেচনৰ চাকৰি ইস্তফা দি আহি গুৱাহাটীৰ তাৰিনীচৰন চৰকাৰী ছোৱালী হাইস্কুলত আৰ্ট টিচাৰ হিচাপে যোগদান কৰে। অসম আৰ্ট গ্যেলেৰীত নিৰ্মাণ কৰা কলচাগাম তেওঁৰ উৎকৃষ্ট নিদৰ্শণ। গুৱাহাটীত থকা কেইটামান উল্লেখযোগ্য কাম হ'ল- অপ্সৰা চিনেমা হলৰ নাচি থকা অপ্সৰা দলৰ ভাস্কাৰ্য্য, শঙ্কৰ মন্দিৰৰ দেৱালৰ কৃষ্ণ, গীতা মন্দিৰৰ অৰ্জুনৰ সৈতে কৃষ্ণ, নুনমাটি ৰিফাইনেৰীৰ প্ৰধান প্ৰৱেশদ্বাৰৰ গায়ন-বায়ন, ৰাজ্যিক সংগ্ৰাহালয়ৰ বিভিন্ন জনগোষ্ঠীৰ মডেল, ষ্টেডিয়াম গেষ্ট হাউচৰ অলিম্পিক শিখা কঢ়িওৱা ষ্টেচু আদি। তাৰ উপৰিও বৰপেটা সত্ৰৰ পানীৰ মাজত থকা কলীয়াদমন, উত্তৰ গুৱাহাটীত থকা আওনীআটি সত্ৰৰ দেৱালৰ কৃষ্ণলীলা, গহপুৰৰ কনকলতা, কাজিৰঙাৰ গড়ে টানি থকা তিনিমহলীয়া ৰথ আদি। ১৯৬৫ চনৰ পাক-ভাৰত যুদ্ধৰ সময়ত সেই সময়ৰ প্ৰধান মন্ত্ৰী লাল বাহাদুৰ শাস্ত্ৰীৰ প্ৰতিমূৰ্তি প্লাষ্টাৰ অফ পেৰিচত নিৰ্মাণ কৰে, আৰু সেই মূৰ্তি ১০, ০০০/ টকাত নীলাম হয়। সেই সমষ্ট ধন ভাৰতীয় প্ৰতিৰক্ষা পুজিলৈ আগবঢ়ায়।

এই শিল্পীজনে নিজাকৈ প্ৰদৰ্শনী পতা নাই। এই বিষয়ে তেওঁ কৈছিল-যদি

সঠিক কাম কৰা, মানুহক দেখুৱাবলৈ প্ৰদৰ্শনী পতাৰ আৱশ্যক নহয়। বৰঞ্চ মানুহে কাম চাবলৈ তোমাৰ কাষলৈ আহিব। তেওঁ বহু ৰাষ্ট্ৰীয় আন্তঃৰাষ্ট্ৰীয় বঁটা লাভ কৰিছে।

যুগল দাসে 'মোৰ শিল্পী জীৱনৰ কাহিনী'ত লৰালিৰ পৰা কৰ্মজীৱনৰ বহু কথা সন্নিবিস্ত কৰিছে। তেওঁ লিখনীৰ পৰা সেই সময়ৰ বহু তথ্যৰ সম্ভেদ পাব পাৰি— "......গুৱাহাটীত তেতিয়া নিয়মীয়া শিল্প চৰ্চা কৰা মানুহ বৰকৈ নাছিল। সেই সময়ত মহেন্দ্ৰনাথ ডেকাফুকন, সৰ্বেশ্বৰ চক্ৰবৰ্ত্তী, মহেশ্বৰ চক্ৰবৰ্তী মাণিক দাস আৰু চিত্ৰালয়ৰ চন্দ্ৰমোহন চক্ৰবৰ্তীৰ নাম শুনা যায়। তথাপিও তেওঁলোকে শিল্পী বুলি কোনো সন্মান দাবী কৰিব পৰা নাছিল। উল্লেখযোগ্য আন দুজন শিল্পী-উত্তৰ গুৱাহাটীৰ ৰত্নকান্ত শৰ্মা মজিন্দাৰ বৰুৱা আৰু ধৰণী চৌধুৰী। পানবজাৰৰ সনাতন ধৰ্মসভা গৃহত ৰত্নকান্ত শৰ্মা মজিন্দাৰ বৰুৱাই চাৰিখন ধৰ্মমূলক ছবি অতি নিখুটকৈ অংকন কৰিছিল। তাৰে এখন বৰ্তমান ৰাজ্যিক সংগ্ৰহালয়ত সংৰক্ষিত হৈ আছে। আনজন শিল্পী ধৰণী চৌধুৰী শাৰীৰিকভাৱে সম্পূৰ্ণৰূপে অক্ষম ব্যক্তি। তেওঁৰ কেইখনমান চিত্ৰ ৰাজাবালা দাসৰ এখন পাঠ্যপুথিত প্ৰকাশ পাইছিল.....।'

যুগল দাসৰ কটন কলেজিয়েট স্কুলৰ দেবেন্দ্ৰনাথ মাহান্তি আৰু নলবাৰীৰ আদ্যনাথ শৰ্মাৰ যোগেদি প্ৰাচীন ভাৰতীয় কলাৰ সৈতে পৰিচয় ঘটে। পাচলৈ গুৱাহাটীৰ আৰ্য নাট্য ৰঙ্গ-মঞ্চৰ চিত্ৰপট আঁকিবলৈ ঢাকাৰ শ্যাম দাস নামৰ এজন পেছাদাৰী চিত্ৰশিল্পীৰ সৈতে জৰিয়তে ৰঙ বোলাবলৈ আৰম্ভ কৰে। কিন্তু যুগল দাসৰ চিত্ৰ- ভাস্কৰ্য্যৰ লগতে শিল্প বিষয়ক লিখনিবোৰ একো একোখন সাময়ীক দলিল। কটন কলেজৰ চিত্ৰাংকণ প্ৰতিযোগিতাত যুগল দাসে এখন তৈলচিত্ৰৰ যোগেদি প্ৰথম পুৰস্কাৰ লাভ কৰে। সেই বছৰতে পানী ৰঙেৰে অংকিত শুক্লেশ্বৰ মন্দিৰৰ ৰাতিৰ চিত্ৰ এখন মাধৱ বেজবৰুৱাৰ বাঁহীত প্ৰকাশ হয়।

অসমৰ এজন অখ্যাত চিত্ৰশিল্পী বিষ্ণুজ্যাতি বুঢ়াগোহাঞি। তেওঁক শিল্পী হিচাপে নহয়, বিপ্লৱী ভীমকান্ত বুঢ়াগোহাঞি ওৰফে মামা বুলি সমগ্ৰ অসমত জনাজাত। তিনিচুকীয়া জিলাৰ কাকপথাৰত ১৯৩১ চনত জন্মগ্ৰহণ কৰা এইজন চিত্ৰশিল্পীয়ে পঞ্চাশৰ দশকতেই কলিকতাৰ কালিঘাটত সুকুমাৰ কলা অধ্যয়ন কৰে আৰু বিভিন্ন কাৰণত শিল্পকলা বিষয়ত ডিগ্ৰী লাভ নকৰাকৈয়ে অসমলৈ ঘূৰি আহি শদিয়াৰ দৰে অঞ্চলত 'ৰং ৰেখা' নামৰ ষ্টুডিঅ' প্ৰতিষ্ঠা কৰে।

জাতীয়তাবাদত বিশ্বাসী এই চিত্ৰশিল্পীজন পিছলৈ হৈ পৰে অসমৰ সশস্ত্ৰ সংগঠন সংযুক্ত মুক্তি বাহিনীৰ অন্যতম প্ৰতিষ্ঠাপক সদস্য। পিছলৈ তেওঁ অসমৰ জনগনৰ মাজত এজন চিত্ৰশিল্পীৰ সলনি ভীমকান্ত বুঢ়াগোহাঞি নামেৰে পৰিচিত হয়। বিদ্ৰোহকালীন সময়তো তেওঁ ৰং-তুলিকাৰে এখন জগত সৃষ্টি কৰিছিল। ঘন অৰণ্যৰ পাহাৰীয়া শিবিৰত শিল্পীসকলক একেলগ কৰি চিত্ৰ প্ৰদৰ্শনী, নাট আদি অনুষ্ঠিত কৰিছিল। ডেকাকালত

কলিকতাত পঢ়ি থকা অৱস্থাত কবি অমূল্য কুমাৰ বৰুৱাৰ সৈতে একেটা কোঠাতে থকা বুঢ়াঁগোহাঞি কমিউনিষ্ট দলৰ সান্নিধ্যলৈ আহে আৰু কলিকতাত হোৱা সাম্প্ৰদায়িক সংঘৰ্ষত মৌলবাদীৰ লক্ষ্য হয়। শিক্ষা আধৰুৱা কৰি অসমলৈ আহি বামপন্থী আদৰ্শৰ কৃষকসভা আদিত জড়িত হৈ পৰে। বুৰঞ্জীৰ ওপৰত বিশেষ দখল থকা বুঢ়াগোহাঞিদেৱে বুৰঞ্জী আৰু নৃতত্বৰ গৱেষক হিচাপে গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা মাননি পোৱাৰ উপৰিও ছাৰ্ভে অব ইণ্ডিয়াৰ অৰুণাচলৰ গৱেষক গাইড হিচাপেও কাম কৰিছিল। শিল্পীজনৰ ২০১১ চনৰ ১৯ ডিচেম্বৰ তাৰিখে শদিয়াৰ ধলা আহোম গাওঁত পৰলোক প্ৰাপ্তি ঘটে।

আশু দেৱৰ জন্ম ১৯১৭ চনত ধুবুৰীত। বস্তুবাদী দৰ্শণত বিশ্বাসী শিল্পীজন কলিকতা, আহমেদাবাদ, খুলনা, মৈমনসিংহ আৰু অৱশেষত গুৱাহাটীৰ টেক্সটাইল ইনষ্টিটিউটত টেক্সটাইল ডিজাইনাৰ হিচাপে কৰ্মৰত আছিল। তেওঁৰ বাওঁপন্থী ধাৰাত বিশ্বাসী বন্ধু দধি মহন্ত দৰে বাওঁপন্থী ধাৰাৰ বহু কমৰেড আছিল।

আশু দেৱৰ বিন্দু বা ‘পয়েন্টিটিলিজম’ ৰ পৰীক্ষা-নিৰীক্ষা ১৯৩০ চনৰ আগৰ দিনবোৰৰ। কিছুমান চিত্ৰত তেওঁ বিন্দু আৰু ষ্টোক, বিন্দু আৰু ৱাছ আদিৰ ক্ৰম আৰু সংমিশ্ৰণৰ সম্পৰ্কও পৰীক্ষা কৰাৰ চেষ্টা কৰে। (পিকনিক) ১৯৫০ চন , (চাইলেন্ট ফ্লাটাৰ) ১৯৬৫ চন, (স্প্ৰিংটাইম) ১৯৭৮চন, (জীৱনৰ চাঁ) ১৯৮১ চন আদি তেনেধৰণৰ পৰীক্ষাৰ ফল। তেওঁৰ চিত্ৰৰ বিভিন্ন বিষয়বস্তুৰ ভিতৰত মূল থিম-মহিলা। উত্তৰ পূবৰ শ্ৰমজীবী মহিলাক অতি যত্নাৰে ভিন্ন পোচাকত ভিন্ন পৰিৱেশত উপস্থাপন কৰিছে।

তেওঁ বিভিন্ন প্ৰদৰ্শনীৰ কিছুমান একক আৰু কেতবোৰ দলীয় প্ৰদৰ্শন। হাউচ অৱ চোভিয়েত সংস্কৃতি অল ইণ্ডিয়া ফাইন আৰ্টচ এণ্ড ক্ৰাফটচ চচাইটিৰ সহযোগত নতুন দিল্লীত একক প্ৰদৰ্শনীৰ যোগেদি তেওঁ বিদেশতো শিল্পী হিচাবে সম্মান লাভ কৰে। ১৯৬৬ চনত অসম ৰাজ্য প্ৰগতিশীল শিল্পী আৰু লেখক সমিতিৰ উদ্বোধনী অধিবেশন গুৱাহাটিত অনুষ্ঠিত হয়, তাৰ সৈতে চিত্ৰকলা, ভাস্কৰ্য প্ৰদৰ্শনী আয়োজন কৰা হৈছিল। প্ৰয়াত ডঃ ভুবনেশ্বৰ বৰুৱাৰ বাসভৱনৰ দেৱালত অঙ্কিত (চিত্ৰ ভাগৱত) চিত্ৰ ক্ষুদ্ৰতৰ অলংকৰণ আশু দেৱৰ অতি উন্নতমানৰ কৰ্ম। আশু দেৱ আৰ্টিষ্ট গ্ৰীল্ডৰ সৈতে সক্ৰিয়ভাৱে জড়িত আছিল। ১৯৮৩ চনৰ ৬ ফেব্ৰুৱাৰীত শিল্পী আশু দেবৰ আকস্মিক মৃত্যু হয়।

শোভা ব্ৰহ্মৰ জন্ম ১৯২৯ চনৰ ১৪ অক্টোবৰ তৰিখে কোকৰাঝাৰ জিলাৰ গোঁসাইগাঁৱৰ ভূমকাত। তেওঁৰ পিতৃৰ নাম আছিল হৰিচৰণ ব্ৰহ্ম আৰু মাতৃ দেৱশ্ৰী ব্ৰহ্ম। শোভা ব্ৰহ্মই ১৯৪৫ চনত ধুবুৰীৰ সাপটগ্ৰাম স্কুলৰ পৰা প্ৰৱেশিকা পৰীক্ষাত উৰ্ত্তীণ হৈ ১৯৪৮ চনত কটন কলেজৰপৰা স্নাতক ডিগ্ৰী লাভ কৰে। ১৯৫২ চনত কলিকতাৰ শান্তিনিকেতনলৈ যায় আৰু ১৯৫৭ চনত শিল্পকলাৰ স্নাতক ডিগ্ৰী লাভ কৰে। শান্তি নিকেতনৰ পৰা উভতি আহি তেওঁ গুৱাহাটীৰ তাৰিণীচৰণ চৌধুৰী বহুমুখী

বিদ্যালয়ত শিল্পকলা শিক্ষক হিচাপে নিযুক্ত হয়। প্ৰাগত অনুষ্ঠিত চতুৰ্থ আন্তৰ্জাতিক ছাত্ৰ শিল্প প্ৰদৰ্শনীত তেওঁ ভাগ লয়। ১৯৫৮ চনত গুৱাহাটী বিশ্ববিদ্যালয়ত জনজাতীয় সংস্কৃতি আৰু লোকসংস্কৃতি অধ্যয়নৰ বাবে বৃত্তি লাভ কৰা শোভা ব্ৰহ্মই উত্তৰ-পূৰ ভাৰতৰ বিভিন্ন নৃগোষ্ঠীৰ স্বকীয় শিল্পৰ অনুপ্ৰেৰণাত নিজৰ অংকন আৰু স্থাপত্য শৈলী বিকাশ কৰি এক জাগৰণৰ যোগেদি অসমৰ চিত্ৰকলাক ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় পৰ্যায়লৈ নিয়াৰ যত্ন কৰে।

শোভা ব্ৰহ্মৰ ছবিৰ প্ৰধান বৈশিষ্ট্য হ'ল বৃহদাকাৰ চিত্ৰপট, বিশাল আৱয়ৱ, মনোধৰ্মী বিকৃতকৰণ,উজ্জ্বল ৰঙৰ ব্যৱহাৰ আদি। অসম উপত্যকা সাহিত্য বঁটাৰ আৰ্হি শোভা ব্ৰহ্মই প্ৰস্তুত কৰে। শোভা ব্ৰহ্ম গুৱাহাটীৰ 'চৰকাৰী কলা মহাবিদ্যালয়ৰ অধ্যক্ষ আছিল। শংকৰদেৱ কলাক্ষেত্ৰৰ উপ-সভাপতি হিচাপে কাৰ্যনিৰ্বাহ কৰাৰ উপৰিও ললিত কলা একাডেমিৰ সদস্য আছিল। বিভিন্ন বঁটাৰে সন্মানিত শোভা ব্ৰহ্মৰ প্ৰকাশিত সাহিত্য গ্ৰন্থ অসমীয়া- 'শিল্পকলাৰ নৱজন্ম', 'জীৱন আৰু চিত্ৰকলা', 'লিঅনাৰ্ডো ডা ভিঞ্চি'; অনুবাদ- 'ভাৰতীয় শিল্পকলা'; বড়ো- 'গোদান উধি'। ২০১২ চনৰ ৫ মাৰ্চ তাৰিখে বাৰ্ধক্যজনিত কাৰণত ৮২ বছৰ বয়সত গুৱাহাটীত শোভা ব্ৰহ্মৰ মৃত্যু হয়।

১৯৩০ চনত শুৱালকুছিত মাধৱ বৈশ্যৰ জন্ম হয়। ১৯৫৮ চনত তেওঁ অসম চৰকাৰৰ শিল্পকলা বৃত্তি লাভ কৰি শান্তিনিকেতনত নামভৰ্তি কৰে আৰু ১৯৬২ চনত তেওঁ পেইণ্টিং বিষয়ত ডিষ্টিংচন সহ উত্তীৰ্ণ হৈ পেইণ্টিং বিষয়ত সোণৰ পদক লাভ কৰে। উভতি আহি যোৰহাট স্নাতকোত্তৰ প্ৰশিক্ষণ মহাবিদ্যালয়ৰ আৰ্টৰ শিক্ষক ৰূপে যোগদান কৰে। ১৯৭৬ চনত যোৰহাট ফাইন আৰ্ট ছচাইটি আৰু ১৯৭৭ চনত যোৰহাট ফাইন আৰ্ট স্কুলৰ জন্ম দিয়ে আৰু যোৰহাট কলা পৰিষদৰ প্ৰতিষ্ঠাপক সভাপতি আছিল। তেওঁ যোৰহাট বাল্য ভৱন বিদ্যালয় আৰু যোৰহাট কৃষি বিশ্ববিদ্যালযৰ ছবিৰ শিক্ষক আছিল। তেওঁ অসম সাহিত্য সভাৰ চন্দ্ৰকান্ত সন্দিকৈ ভৱনত সংৰক্ষিত অসম সাহিত্য সভাৰ ভূতপূৰ্ব্ব সভাপতিসকলৰ প্ৰতিকৃতি আৰু স্ক্ৰোল পেইণ্টিং সমুহৰ ভিতৰত আৰ্য্য গৌৰৱ, কীৰ্তন, বিষ্ণুৰ দশাৱতাৰ, কচ আৰু দেৱযানী, বুদ্ধ চৰিত আদি উল্লেখযোগ্য ।

গৌৰী বৰ্মণ মোম্বাইৰ জে.. জে. স্কুলৰ পৰা আৰ্কিটেকচাৰ বিভাগৰ স্নাতক। তেওঁ চিত্ৰাংকনৰ ওপৰিও বোলচবি নিৰ্মান কৰে।

১৯৩৯ চনৰ ২৭ নবেম্বৰত বৰপেটাত জন্মগ্ৰহণ কৰা বেণু মিশ্ৰই শান্তিনিকেতনত ৰামকিংকৰ বেইজৰ অধীনত কলা শিক্ষা গ্ৰহণ কৰে। ঘূৰি আহি অসম চৰকাৰৰ তথ্য আৰু জনসংযোগ বিভাগত নিযুক্তি লাভ কৰে। শিল্পীজনে ১৯৭৬ চনত গুৱাহাটী আৰ্টিষ্ট গীল্ডৰ প্ৰতিষ্ঠা কৰে। তেওঁ আছিল প্ৰতিষ্ঠাপক সভাপতি। তেখেতে দেশ-বিদেশত বহু চিত্ৰ পদৰ্শনী পাতিছে, কিন্তু ছপাশিল্প (বেটুপাত আৰু ইলাষ্ট্ৰেচন) দিশত তেওঁ আছিল অনন্য। শিল্পীজনৰ ২০১৯ চনৰ ২৯ মে'ত গুৱাহাটীৰ নিজা বাসভৱনত মৃত্যু হয়।

আন্তঃজাৰ্তিক ক্ষাতিসম্পন্ন জিতেন হাজৰিকা এজন অভিযন্তা, আৰু অৱসৰ প্ৰাপ্ত সামৰিক বিভাগৰ উচ্চপদস্থ বিষয়া, তেওঁ বৰ্তমান নয়দাৰ নিবাসী। চন্দ্ৰকমল গগৈ উত্তৰ লক্ষীমপুৰত চাৰুকলা বিদ্যালয়ৰ অধ্যক্ষ। দেশ-বিদেশত প্ৰদৰ্শনীত ভাগ লোৱা পুলক গগৈ কাৰ্টুনিষ্ট, চিত্ৰশিল্পী আৰু বোলচবি পৰিচালক আৰু নীলপৱন বৰুৱা সকলোৰে পৰিচিত শিল্পী দুজন যোৰহাটৰ যদিও গুৱাহাটীত নিগাজী হয়।

অসমৰ মহিলা চিত্ৰশিল্পীৰ সংখ্যা তেনেই কম। তাৰ ভিতৰত প্ৰজ্ঞা বৰুৱা, চপলা বৰুৱা, নীলিমা বৰুৱা, হেলা দাস, হেমাঙ্গীনি বৰদলৈ, মৰ্জিনা বেগম আদি মহিলা শিল্পীৰ নাম উল্লেখযোগ্য।

অসমৰ আধুনিক শিল্পকলা ইতিসাহত তেজপুৰৰ প্ৰজ্ঞা বৰুৱাক প্ৰথমগৰাকী মহিলা চিত্ৰশিল্পী। তেওঁ শিল্পী প্ৰতাপ বৰুৱাৰ ভগ্নী। পানীৰং, তেলৰং আৰু পেঞ্চিল তেওঁৰ চিত্ৰৰ মাধ্যম। তাৰে প্ৰায় ৩৫ খন চিত্ৰ অসম চৰকাৰৰ সাংস্কৃতিকালয়ে ১৯৯২ চনত এখন চিত্ৰ প্ৰদৰ্শনীৰ দিহা কৰে। শেষতীয়াকৈ তেজপুৰ কলা-বীথিকাৰ এক প্ৰদৰ্শনীত প্ৰজ্ঞা বৰুৱা কেইখনমান চিত্ৰ প্ৰদৰ্শিত হয়।

হেমাংগিনি বৰদলৈ ১৯২৫ চনৰ ১৩ এপ্ৰিলত ডিব্ৰুগড়ত জন্ম হয়। ১৯৫৭ চনত শান্তিনিকেতনত শিল্প কলাৰ ডিপ্লোমা পাঠ্যক্ৰমত ভৰ্ত্তি হয়। তেওঁৰ চিত্ৰকলাৰ মাধ্যম আছিল টেম্পাৰা, পানীৰ ৰং, চিয়াহী, চাৰ্কোল আৰু কেনভাচত তেলৰং। তেওঁ বহু মহান ব্যক্তিৰ প্ৰতিকৃতি অংকন কৰে। প্ৰিমিয়াৰ আৰ্ট ক্লাবত তেওঁৰ চিত্ৰসমূহ প্ৰদৰ্শন হৈছিল। শিল্পী পেঞ্চন আৰু কলাগুৰু বিষ্ণু প্ৰসাদ ৰাভা বঁটা প্ৰাপ্ত শিল্পীগৰাকীৰ২০১৭ চনৰ ৫ জুনত মৃত্যু হয়।

১৯১০ চনৰ ২৫ জানুৱাৰীত জন্ম লাভ কৰা নিলিমা বৰুৱাই ১৯৪৫ চনত শান্তিনিকেতনত ডিপ্লোমা লাভ কৰে। নিলীমা বৰুৱাৰ প্ৰথম প্ৰদৰ্শনী ১৯৫৪ চনত শ্বিলঙত অনুষ্ঠিত হোৱা পাছত আজমীৰ, নতুন দিল্লী, এলাহাবাদ, কলকাতা, গুৱাহাটী, মুম্বাই আৰু বিদেশলৈ (লণ্ডন আৰু পেৰিছ) যাত্ৰা কৰে। বিখ্যাত ভাস্কৰ ৰামকিঙ্কৰ বেইজে নিলীমা বৰুৱাৰ পৰ্টেট আঁকিছিল, মূৰ্ত্তি গঢ়িছিল। নিলীমা বৰুৱা অসম চৰকাৰৰ হস্ততাঁত আৰু বস্ত্ৰ পৰিষদৰ প্ৰথম সঞ্চালিকা আছিল। নিলিমা বৰুৱাৰ ১৯৭৪ চনৰ ৪চেপ্তেম্বৰত মৃত্যু হয়। নিলীমা বৰুৱা লোক শিল্প সংগ্ৰহালয় ধুবুৰীত ১৯৯৭ চনৰ ৪ জানুৱাৰীত মুকলি কৰা হয়।

আবিদা আহমেদ এগৰাকী উন্নত মানৰ চিত্ৰকৰ । তেওঁ ভাৰতৰ প্ৰক্তন ৰাষ্ট্ৰপতি ফকৰুদ্দিন আলি আহমেদৰ পত্নী। তেখেতৰ সমবিমূৰ্ত আৰু পূৰ্ণবিমূৰ্ত দুয়োধৰণৰ চিত্ৰৰ প্ৰধান বিষয়বস্তু মানৱতাবোধ। শিল্পীগৰাকীয়ে ১৯৭৫ চনত ভাৰতত অনুষ্ঠিত হোৱা বিশ্বৰ মহিলা শিল্পকলা প্ৰদৰ্শনীত যোগদান কৰি খ্যাতি আৰ্জন কৰে।

বিভিন্ন কাৰণত বহু শিল্পীৰ বিষয়ে উল্লেখ কৰিব পৰা নগ'ল, অথবা বাদ পৰি

গ'ল। বহু ক্ষেত্ৰত দেখা যায় যে শিল্পীসকলৰ বিষয়ে সম্পূৰ্ণ লেখা পোৱা নাযায়। যিখিনি পোৱা যায় তেনে লিখাত বিতং তথ্য সন্নিবিষ্ট হৈ নাথাকে; ওপৰে ওপৰে চুই যোৱা যেন লাগে। ভৱিষ্যত প্ৰজন্মলৈ সময় থাকোতেই তথ্যবোৰ যুগোটাই থোৱা আৱশ্যক। ৫০-৬০ উৰ্দ্ধৰ শিল্পীসকলৰ তথ্য যুগোতাই থোৱা আৱশ্যক। সেইয়া গৱেষক সকললৈ থলো।

এখন তালিকা প্ৰস্তুত কৰিবলৈ চেষ্টা কৰা হৈছিল যদিও অসম্পূৰ্ণ হৈ ৰ'ল।

শহৰাম বাপু ১৮৫১-১৯২৬ বৰপেটা ; আদোৰাম কলিতা ১৮৯৬- খ্ৰীষ্টাব্দ (প্ৰথম চিত্ৰপট আঁকা চিত্ৰকৰ) কামৰূপ ; ৰত্নকান্ত বৰুৱা ১৮৫৩-১৯৬৩ উত্তৰ গুৱাহাটী ; ইন্দ্ৰেশ্বৰ বৰঠাকুৰ ১৮৫৭-১৯৬১ শিৱসাগৰ ; লক্ষীনাথ বৰুৱা ১৮৮৫-১৯৭৭-যোৰহাট ; মুক্তানাথ বৰদলৈ , ডিব্ৰুগড়; পিয়াৰী মোহন চৌধুৰী ১৮৯৬— তেজপুৰ ; ভৱেশ স্যানেল ১৯০২-২০03 ডিব্ৰুগড় ; জগত সিং কছাৰী ১৯০২-১৯৩৩ (অনুমানিক) তেজপুৰ; দেবেন চক্ৰবৰ্তী ১৯০২-১৯৬৫-যোৰহাট; মৈহেংদান মহেন্দ্ৰনাথ ডেকাফুকন ১৯০৩-১৯৭৩-নগাঁও; হেমচন্দ্ৰ বৰুৱা ১৯০৫-১৯৭৬-যোৰহাট; জীৱেশ্বৰ বৰুৱা ১৯০৬-১৯৬৪ শিৱসাগৰ ; শশীধৰ শইকীয়া ১৯০৭-১৯৭২-নগাঁও; সুৰেন বৰদলৈ ১৯০৭-১৯৮৩-যোৰহাট ; মদন লহকৰ ; ভাৰত বৰুৱা ওৰফে চামচুল হুদা ১৯০৮-১৯৮৪ তেজপুৰ; প্ৰতাপ বৰুৱা ১৯১১-১৯৩৭ তেজপুৰ; গজেন বৰুৱা ১৯১৫-১৯৭৭ তেজপুৰ ; দেবীচৰণ ব্ৰহ্ম ১৯১৬-১৯৮৬ কোকৰাঝাৰ ; হেমন্ত মিশ্ৰ ১৯১৭-১৯-শিৱসাগৰ ; আশু দেৱ ১৯১৭-১৯৮৩ ধুবুৰী ; প্ৰজ্ঞা বৰুৱা ১৯২১-১৯৭২ তেজপুৰ ; তৰুণ দুৱৰা ১৯২১-১৯৯৮ ডিব্ৰুগড় ; অভয়ানন্দ দুৱৰা ১৯২১-১৯৯২-ডিব্ৰুগড় ; বিষ্ণু ৰাভা ------ তেজপুৰ; গোপাল ৰাভা , তেজপুৰ; ৰমেশ ঘোষ ১৯২২-২০১৭যোৰহাট; লম্বোদৰ হাজৰিকা ১৯২৪-- তেজপুৰ (পিতৃ হৰনাথ হাজৰিকা স্বৰ্গদেউ আমোলৰ চিত্ৰশিল্পী); প্ৰজ্ঞা বৰুৱা; চপলা বৰুৱা ; নিলীমা বৰুৱা১৯১০-১৯৭৪; মৰ্জিনা বেগম; হেলা দাস; হেমাংগিনি বৰদলৈ ১৯২৫-২০০৭; আবিদা আহমেদ ;শোভা ব্ৰহ্ম ১৯২৯-২০১২ কোকৰাঝাৰ; মাধৱ বৈশ্য ১৯৩০ চনত শুৱালকুছি ; বিষ্ণুজ্যোতি বুঢ়াগোহাঞি (বিপ্লৱী ভীমকান্ত বুঢ়াগোহাঞি) ১৯৩১-২০১১ ; প্ৰসেনজিৎ দুৱৰা ১৯৩১-২০০৩-ডিব্ৰুগড়·, পদুমচন্দ্ৰ বুঢ়াগোঁহাই ১৯৩৩- শিৱসাগৰ; প্ৰণৱ বৰুৱা ১৯৩৫-২০০২ নগাঁও ; আৰচাদ হুচেইন ১৯৩৪-২০০৪ ; তপন বৰদলৈ ১৯৩৮-১৯-যোৰহাট·, বেনু মিশ্ৰ ১৯৩৯-২০১৯ ; হৰিভূষণ ব্ৰহ্ম ১৯৩৯-২০১৫ কোকৰাঝাৰ (গোসাইগাঁও) ; চন্দ্ৰধৰ গোস্বামী, তেজপুৰ ; বিমল ভট্টাচাৰ্য্য, তেজপুৰ ; প্ৰতুল বৰা, তেজপুৰ ; জয় চন্দ্ৰ দাস , তেজপুৰ ; চৌকত আলি , তেজপুৰ ; ৰবীন্দ্ৰ নাথ ভট্টাচাৰ্য্য; ঘন কোঁৱৰ ১৯৪৩--ডিব্ৰুগড় ; শৰত ব্ৰহ্ম , কোকৰাঝাৰ ; আলী বখত মজুমদাৰ; বীৰেন্দ্ৰলাল ভৌমিক ; মুকুন্দ দেৱনাথ ; বৰাক উপত্যেকা; গৌৰী বৰ্মণ ; জিতেন হাজৰিকা ১৯৩৬ নগাঁও; চন্দ্ৰকমল গগৈ, লক্ষীমপুৰ ; পুলক গগৈ ; নীলপৱন বৰুৱা, নগাওঁ।

উৎস ঃ বিভিন্ন গ্ৰন্থ, আলোচনী, লেখাৰ পৰা সংগ্ৰহ কৰা।

—অন্ত—

ঠিকনা ঃ

নৱ কোঁৱৰ
বিষ্ণু গগৈ পথ, উষাপুৰ
মৰাণহাট
চৰাইদেউ, অসম।
পিন-**৭৮৫৬৭০**
(M)-9954421995